# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 16-09 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ গান্ধীনগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ আৰ ই বিনিয়োগ গোলকীয় ঔদ্যোগিক বৈঠক মুকলি কৰিব।

২। ২০২৪ বৰ্ষৰ স্বচ্ছতা সেৱা অভিযান কাইলৈ আৰম্ভ হ'ব। এই অভিযানৰ চলিত বৰ্ষৰ বিষয়বস্তু হৈছে **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা।**

৩। ভাৰতে ঘূৰ্ণীবতাহ য়াগীয়ে প্ৰভাৱিত কৰা দেশসমূহলৈ মানৱীয় সাহায্য প্ৰদান কৰাৰ উদ্দেশ্যে সদভাৱ অভিযান মুকলি কৰিছে। **আৰু**

৪। চীনৰ হুলুনবুইৰত অনুষ্ঠিত এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গান্ধীনগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ আৰ ই বিনিয়োগ গোলকীয় ঔদ্যোগিক বৈঠক মুকলি কৰিব। শ্ৰীমোদীয়ে আহমদাবাদৰ পৰা গান্ধীনগৰ তথা জি আই এফ টি মহানগৰ সংযোগী আহমদাবাদ মেট্ৰ'ৰ দ্বিতীয় পৰ্যায়ো মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি পি এম সূৰ্য্য ঘৰ বিনামূলীয়া বিজুলী আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰিব। শ্ৰী মোদীয়ে আহমদাবাদ আৰু ভোজৰ মাজৰ প্ৰথমখন বন্দে ভাৰত মেট্ৰ' ৰে'লকে ধৰি ৮ হাজাৰ কোটি টকাতকৈও ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছু সংখ্যক প্ৰকল্পও মুকলি কৰিব। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰ্যালয়ে চতুৰ্থ আৰ ই বিনিয়োগ গোলকীয় নবীকৰণযোগ্য শক্তি বৈঠক তথা প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই বৈঠকত নবীকৰণযোগ্য শক্তি উৎপাদন তথা ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ উল্লেখনীয় প্ৰগতিৰ ওপৰত আলোকপাত কৰা হ'ব। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশী তথা গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেল উদ্বোধনী অনুষ্ঠান উপস্থিত থাকিব। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই কাৰ্যসূচীত ৪০ খনতকৈ অধিক বৈঠক তথা বিশেষ আলোচনা অনুষ্ঠিত হ'ব। অধিবেশনসমূহত উদ্ভাৱনীমূলক বিত্ত যোগান, গ্ৰীণ হাইড্ৰ'জেন তথা ভৱিষ্যতৰ শক্তি সন্দৰ্ভত আলোকপাত কৰা হ'ব। জাৰ্মানী, অষ্ট্ৰেলিয়া, ডেনমাৰ্ক আৰু ন'ৰৱে এই অনুষ্ঠানত মিত্ৰদেশ হিচাপে এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানা আৰু উত্তৰ প্ৰদেশে মিত্ৰ ৰাজ্য হিচাপে অংশগ্ৰহণ কৰিব। এই বৈঠকৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত নবীকৰণযোগ্য শক্তি খণ্ডত ৰাজহুৱা তথা ব্যক্তিগত খণ্ড সংস্থা, ষ্টাৰ্টআপ তথা ঔদ্যোগিক জগতৰ কৰ্ণধাৰসকলৰ শেহতীয়া উদ্ভাৱন প্ৰদৰ্শিত হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অহা ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া সামৰণি অধিবেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

স্বচ্ছতা সেৱা অভিযান ২০২৪ কাইলৈ আৰম্ভ হৈ অহা ২ অক্টোবৰলৈ চলিব। এই অভিযানৰ চলিত বৰ্ষৰ বিষয়বস্তু হৈছে- **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা।** এই অভিযানৰ অধীনত পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা অভিযান চলোৱা হ'ব। ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতা বিভিন্ন কাৰ্যসূচী আয়োজনৰ পৰিকল্পনা কৰিছে। সামগ্ৰিক সমাজ দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিকসকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন অংশীদাৰীয়ে অংশগ্ৰহণ কৰিব। সমগ্ৰ চৰকাৰ দৃষ্টিভংগীৰ অধীনত সকলো ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চল, মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰালয় তথা স্থানীয় গোটসমূহে স্বচ্ছতাৰ বাবে দেশজুৰি এটা অভিযান চলাটো সুনিশ্চিত কৰাৰ বাবে কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গান্ধীনগৰৰ শ্ৰীসোমনাথ দেবোত্তৰ পৰিষদৰ এখন বৈঠকত অধ্যক্ষতা কৰে। সামাজিক মাধ্যম এক্সৰ জৰিয়তে শ্ৰী মোদীয়ে প্ৰকাশ কৰা অনুসৰি তেওঁ মন্দিৰৰ বিভিন্ন সা-সুবিধা অধিক উন্নত কৰাৰ লগতে তীৰ্থযাত্ৰী সকলৰ সুচলতা বৃদ্ধিৰ দিশসমূহ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে দুদিনীয়া কাৰ্যসূচীৰে গৃহৰাজ্য গুজৰাট ভ্ৰমণ কৰি বিভিন্ন অনুষ্ঠান মুকলি কৰাৰ উপৰি কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি পয়গম্বৰ মহম্মদৰ জন্মদিনটো মিলাদ-উন-নবী হিচাপে পালন কৰা হৈছে। এই উপলক্ষে পয়গম্বৰ মহম্মদৰ জীৱন তথা আদৰ্শৰ ওপৰত আলোকপাত কৰি মিলাদ তথা ছিৰাট সন্মিলন আয়োজন কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মিলাদ-উন-নবীৰ উপলক্ষে দেশৰ জনসাধাৰণৰ বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, পয়গম্বৰ মহম্মদৰ জীৱন দৰ্শনে প্ৰেম আৰু ভাতৃত্বৰ বোধ শক্তিশালী কৰাৰ বাবে সকলোকে উৎসাহিত কৰাৰ লগতে সমাজত সমতা আৰু সম্প্ৰীতি ৰক্ষাত অধিক গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ সকলোকে মানৱতাৰ প্ৰতি সেৱা আগবঢ়াই যাবলৈ অনুপ্ৰাণিত কৰিছিল বুলি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে পৱিত্ৰ কোৰাণৰ শিকনিসমূহ অনুসৰণ কৰি এখন শান্তিপূৰ্ণ সমাজ গঠনৰ হকে কাম কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০

জন্মু আৰু কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোত ১৮ ছেপ্তেম্বৰ, ২৫ ছেপ্তেম্বৰ আৰু পহিলা অক্টোবৰত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৮ অক্টোবৰত ভোটগ্ৰহণ হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ কালি সামৰণি পৰে।

০০০০০

ভাৰতে ঘূৰ্ণীবতাহ য়াগীয়ে প্ৰভাৱিত কৰা দেশসমূহলৈ মানৱীয় সাহায্য প্ৰদান কৰাৰ উদ্দেশ্যে সদভাৱ অভিযান মুকলি কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰে যে এই অভিযানৰ অধীনত ভাৰতে ভিয়েটনামলৈ ১০ লাখ আমেৰিকান ডলাৰ পৰিমাণৰ সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। এখন বিশেষ বিমানযোগে কালি ভিয়েটনামলৈ জল বিশুদ্ধিকৰণ সামগ্ৰী, কম্বল, পাকঘৰৰ সামগ্ৰী তথা সৌৰ চাকিকে ধৰি ৩৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হয়। নতুন দিল্লীয়ে লাওছলৈয়ো এখন বিশেষ বিমানৰ জৰিয়তে পানী বিশুদ্ধিকৰণ সামগ্ৰী, বীজাণুনাশক পদাৰ্থ, শয়ন সামগ্ৰী, জেনেৰেটৰ, আঠুৰা তথা কম্বলকে ধৰি ১০ টন পৰিমাণৰ মানৱীয় সাহায্য প্ৰেৰণ কৰে। ইতিমধ্যে কালি সন্ধিয়া শুকান খাদ্য সামগ্ৰী, বস্ত্ৰ তথা ঔষধকে ধৰি ১০ টন পৰিমাণৰ সাহায্যসহ আই এন এছ ছাটপুৰা ম্যানমাৰ অভিমুখে ৰাওনা হৈছে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ঘূৰ্ণীবতাহ প্ৰভাৱিত দেশসমূহলৈ মানৱীয় সাহায্য প্ৰেৰণ কৰা প্ৰথম দেশসমূহৰ ভিতৰত ভাৰত অন্যতম। সদভাৱ অভিযান হৈছে এক্ট ইষ্ট নীতিৰ সৈতে সংগতি ৰাখি দক্ষিণ পূব এছীয় দেশসমূহৰ সংস্থাৰ অন্তৰ্গত অঞ্চলত মানৱীয় সাহায্য প্ৰদান কৰাৰ উদ্দেশ্যে ভাৰতৰ প্ৰচেষ্টাৰ এটা অংশ।

ooooo

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **স্বচ্ছতাই সেৱা অভিযানৰ অধীনত স্বচ্ছ ভাৰত সুনিশ্চিত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ** সন্দৰ্ভত এক বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। এই আলোচনাত অংশগ্ৰহণ কৰিব জলশক্তি মন্ত্ৰালয়ৰ স্বচ্ছ ভাৰত অভিযানৰ সঞ্চালক তথা যুটীয়া সচিব জীতেন্দ্ৰ শ্ৰীবাস্তৱ আৰু গৃহ নিৰ্মাণ তথা নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ সঞ্চালক অনিতা মীনাই। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত অতিথিকেইগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

ooooo

চীনৰ হুলুনবুইৰত অনুষ্ঠিত হৈ থকা ২০২৪ বৰ্ষৰ এছিয়ান চেম্পিয়নছ ট্ৰফীৰ হকীৰ ছেমি ফাইনেলত আজি ভাৰতে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব। খেলখন আবেলি চাৰে তিনি বজাত আৰম্ভ হ'ব। উল্লেখ যোগ্য যে ভাৰতে এতিয়ালৈকে এই প্ৰতিযোগিতাৰ এখন খেলতো পৰাজিত নোহোৱাকৈ খেলি আছে। প্ৰতিযোগিতাৰ পূৰ্বৰ খেল সমূহত ভাৰতে চীনক ৩-০, জাপানক ৫-১, মালয়েছিয়াক ৮-১, কোৰিয়াক ৩-১ আৰু পাকিস্তানক ২-১ গ'লত পৰাস্ত কৰিছে। আজি অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত আয়োজক দল চীনৰ বিৰুদ্ধে পাকিস্তান অৱতীৰ্ণ হব।

ooooo

বুডাপেষ্টত অনুষ্ঠিত হৈ থকা ৪৫ সংখ্যক দবা অলিম্পিয়াডৰ মুকলি শাখাত ভাৰতে আজাৰবাইজানক ৩-১ ফলাফলত পৰাস্ত কৰে। আনহাতে মহিলা শাখাৰ পঞ্চম ৰাউণ্ডত ভাৰতীয় দলটোৱে কাজাখস্তানক ২.৫-১.৫ ফলাফলত পৰাস্ত কৰে।

মুকলি শাখাত ভাৰতৰ গুকেশে আজাৰবাইজানৰ প্ৰতিদ্বন্দ্বী আয়দিন চুলেমানলীৰ বিৰুদ্ধে সহজ জয় সাব্যস্ত কৰে। অৰ্জুন এৰিগাইচিয়ে আজাৰবাইজানৰ ৰাউফ মামেডভক

পৰাস্ত কৰি একেৰাহে পঞ্চমটো জয় সাব্যস্ত কৰে। ভাৰতৰ প্ৰাগনান্দা আৰু বিদিত গুজৰাথীয়ে ড্ৰ'ৰে খেল সমাপ্ত কৰে।

আনহাতে মহিলা শাখাত হৰিকা দ্ৰোণাৱল্লী শীৰ্ষ ব'ৰ্ডত কাজাখাস্তানৰ বিবিছাৰা আছাউবায়েভাৰ হাতত পৰাস্ত হয়। ইয়াৰ বিপৰীতে বৈশালীয়ে মেৰুৰেৰ্ট কামালিডেনোভাক আৰু ভন্টিকা আগৰৱালে আলুৱা নুৰমানক পৰাস্ত কৰে। আনহাতে দিব্য দেশমুখে জেনিয়া বালাবায়েভাৰ বিৰুদ্ধে ড্ৰ' খেলে। উল্লেখ যোগ্য যে দবা অলিম্পিয়াডত আৰু ছটা ৰাউণ্ডৰ খেল অনুষ্ঠিত হবলৈ বাকী আছে।

ooooo

সমাপ্ত